# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :17-12-2025**
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

:::::::::::::::::::::::: :::::::::::::::::::: :::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়া জিলাৰ গেলাপুখুৰীত অলপতে অৰুণাচল প্ৰদেশৰ আনজাওত সংঘটিত পথ দুৰ্ঘটনাত নিহত শ্ৰমিকসকলৰ পৰিয়ালক সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে এই দুৰ্ঘটনাত প্ৰাণ ৰক্ষা পৰা তথা চিকিৎসাধীন অৱস্থাত থকা একমাত্ৰ লোকজনৰ আশু আৰোগ্য কামনা কৰাৰ লগতে তেওঁৰ সুচিকিৎসাৰ ব্যৱস্থা কৰিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। ড০ শৰ্মাই দুৰ্ঘটনাত নিহতসকলৰ নিকটাত্মীয়লৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ৫ লাখ টকাৰ এককালীন সাহায্য আগবঢ়ায়। তদুপৰি আহত ব্যক্তিগৰাকীৰ চিকিৎসাৰ বাবেও মুখ্যমন্ত্ৰীৰ সাহায্য পুজিৰ পৰা এক লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰীয়ে দুৰ্ঘটনাটোত নিহতসকলৰ পৰিয়ালক অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত কৰাৰ লগতে তেওঁলোকৰ সন্তানৰ পঢ়া শুনাৰ বাবেও প্ৰয়োজনীয় সহায় আগবঢ়াবলৈ জিলা আয়ুক্তক নিৰ্দেশ দিয়ে।

সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰী ড০ শৰ্মাই চাহ শ্ৰমিকক কাম কৰিবলৈ অৰুণাচললৈ লৈ যোৱাটো চিন্তনীয় বিষয় বুলি মন্তব্য কৰে। ঔদ্যোগীকৰণৰ পৰিৱেশ সৃষ্টি হ'লেহে এই সমস্যাৰ অন্ত পৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে চাহ শ্ৰমিকৰ সুৰক্ষাৰ বাবে শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস দিয়ে।

**বাইট (চি এম)**

০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে অহা ২০ ডিচেম্বৰত অসমলৈ আহিবলগীয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যখনৰ কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচীত অংশ ল'ব। প্ৰধানমন্ত্ৰী মোদীয়ে ২১ ডিচেম্বৰত জাতীয় জীৱন সংগ্ৰামৰ অমৰ ছহিদসকলৰ স্মৃতিত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মাণ কৰা ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰিব। তেওঁ লগতে অসম আন্দোলনত প্ৰাণ আহুতি দিয়া ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুস্পাঞ্জলি অৰ্পন কৰিব। প্ৰধানমন্ত্ৰীৰ আগমনৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সন্ধিয়া বৰাগাঁৱত উপস্থিত হৈ যাৱতীয়

প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। তেওঁ লগতে এই অনুষ্ঠান সাফল্যমণ্ডিত কৰাৰ বাবে সংশ্লিষ্ট বিষয়াসকলক যাৱতীয় নিৰ্দেশ প্ৰদান কৰে।

০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ মৃত্যুৰ সন্দৰ্ভত দাখিল কৰা অভিযোগনামাৰ প্ৰতিলিপি আদালতত জমা দিবলৈ নিৰ্দেশ দিছে। শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যুৰ ঘটনা চিবি আই তদন্তৰ বাবে অনুৰোধ জনাই দাখিল কৰা এখন লেখ আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱ চৌধুৰীক লৈ গঠিত এখন বিচাৰপীঠে আজি এই নিৰ্দেশ দিয়ে। আদালতে লগতে ১৩ মাৰ্চত লেখ আবেদনখনৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰে।

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ চি বি আই তদন্ত বিচাৰি আচাম পাবলিক ৱৰ্কছৰ সভাপতি অভিজিৎ শৰ্মা আৰু যুৱ ছাত্ৰ পৰিষদৰ প্ৰাক্তন নেতা পলাশ ৰঞ্জন বৰুৱাই এই লেখ আবেদনখন দাখিল কৰিছে।

০০০০

আৰক্ষীয়ে বিগত এসপ্তাহত ওদালগুৰি আৰু দৰং জিলাৰ বিভিন্ন ঠাইত অভিযান চলাই ২৩ টা চুৰি গৰু আৰু ৩ খন গৰু চুৰি কাৰ্যত ব্যৱহাৰ কৰা বাহন উদ্ধাৰ কৰিছে। আমাৰ ওদালগুৰিৰ সংবাদদাতাই জনোৱা মতে, এই অভিযানকালত আৰক্ষীয়ে ছজন লোকক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীয়ে লগতে পলাতক অৱস্থাত থকা কেইবাজনো অভিযুক্তক কৰায়ত্ত কৰাৰ বাবে অভিযান অব্যাহত ৰাখিছে বুলি জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক পদ্মনাভ বৰুৱাই আমাৰ সংবাদদাতাৰ আগত প্ৰকাশ কৰে।

০০০০

অসম চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ নিৰ্দেশ অনুসৰি শ্ৰীভূমি জিলাত ঘেঁহুৰ মজুত নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিশেষ নিৰ্দেশনা জাৰি কৰা হৈছে। এই নিৰ্দেশনা অনুসৰি বজাৰ আৰু ঘেঁহুৰ দাম নিয়ন্ত্ৰণৰ বাবে বিভিন্ন স্তৰৰ ব্যৱসায়ীৰ ক্ষেত্ৰত ঘেঁহু মজুতকৰণৰ নিৰ্দিষ্ট পৰিমান ধাৰ্য্য কৰা হৈছে। এই অনুসৰি খুচুৰা বিক্ৰেতাই সৰ্বাধিক ১০ মেট্ৰিকটন ঘেঁহু মজুত ৰাখিব পাৰিব। ইপিনে, পাইকাৰী বিক্ৰেতাই সৰ্বাধিক ৩ হাজাৰ মেট্ৰিকটন ঘেঁহু মজুত কৰিব পাৰিব। যিসকল ব্যৱসায়ীৰ ওচৰত বৰ্তমান নিৰ্ধাৰিত পৰিমানতকৈ অধিক ঘেঁহু মজুত আছে তেওঁলোকে এই জাননী জাৰিৰ ১৫ দিনৰ ভিতৰত অতিৰিক্ত মজুত কমাই নিয়ম অনুসাৰে ব্যৱস্থা লব লাগিব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

০০০০

চিৰাং জিলাৰ বিজনী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক, সৰুপেটাৰ বৰলীয়াপাৰা গাঁৱৰ নিৱাসী কুমাৰ ৰাজীৱ গুৰুঙৰ যোৱা নিশা দেহাৱসান ঘটে। বিগত কিছুদিন ধৰি অসুস্থ হৈ থকা অধ্যাপকগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৫৬ বছৰ। ৰাজীৱ গুৰুঙে কেইবাবছৰ ধৰি দি আচাম ট্ৰিবিউন আৰু দৈনিক অসম কাকতৰ বিজনীৰ সংবাদদাতাৰূপে কাম কৰিছিল। এগৰাকী কবি আৰু লেখক হিচাপেও পৰিচিতি লাভ কৰা গুৰুঙৰ মেৰাজ নামৰ ইংৰাজী ভাষাৰ কাব্যগ্ৰন্থখন অসমীয়া ভাষালৈও অনুবাদ কৰা হৈছিল। তেওঁৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**